DAILY ASSAM

পাঠ-১২

# আমাৰ দেশ

R5Z8K7

আমাৰ দেশখনৰ নাম ভাৰত। ই এখন অতি প্ৰাচীন দেশ। প্ৰাচীনকালত 'ভৰত' নামৰ এজন বৰ প্ৰতাপী ৰজাই ইয়াত ৰাজত্ব কৰিছিল। ভৰত ৰজাৰ নাম অনুসৰি আমাৰ দেশখনৰ নাম ভাৰতবৰ্ষ হয় বুলি বহুতে কয়। আনহাতে ভাৰতবৰ্ষৰ মাজেদি বৈ যোৱা সিন্ধু নৈ, যাক 'লেটিন' ভাষাত 'ইন্দাজ' বুলি কোৱা হয়, সেই 'ইন্দাজ' শব্দৰপৰাই ইংৰাজীত ইণ্ডিয়া হয় বুলি কোনো কোনোৱে কয়।



হিমালয় পৰ্বতে ভাৰতবৰ্ষৰ উত্তৰ আৰু উত্তৰ-পূবৰ সীমান্ত অঞ্চল আগুৰি আছে। ভাৰতবৰ্ষৰ সীমাত কেইবাখনো বিদেশী ৰাষ্ট্ৰ আছে। উত্তৰ দিশত থকা ৰাষ্ট্ৰকেইখন হ'ল- নেপাল, ভূটান আৰু চীন দেশ। পূব দিশত ম্যানমাৰ, পশ্চিম আৰু উত্তৰ-পশ্চিম দিশত পাকিস্তান আৰু আফগানিস্তান আছে। দক্ষিণৰ শেষস্থানৰ কাষতেই শ্ৰীলংকা অৱস্থিত। ভাৰত ভূ-খণ্ডৰ পূব, পশ্চিম আৰু দক্ষিণ দিশক সাগৰ-মহাসাগৰে আগুৰি আছে। পূবে বংগোপসাগৰ, পশ্চিমে আৰব সাগৰ আৰু দক্ষিণে আছে ভাৰত মহাসাগৰ।

**সিপিঠিৰ মানচিত্ৰ চাই লিখা —**

- ভাৰতৰ কোন কোন দিশত কি কি সাগৰ আৰু মহাসাগৰ আছে?
- ভাৰতৰ কোনকেইখন ৰাজ্যৰ সীমা বাংলাদেশৰ সীমাৰ সৈতে লগ লাগি আছে?
- ম্যানমাৰ ৰাষ্ট্ৰ ভাৰতৰ কোন দিশত অৱস্থিত?
- ভাৰতৰ উত্তৰ দিশত থকা বিদেশী ৰাষ্ট্ৰকেইখনৰ নাম কি কি?

আমাৰ ভাৰতবৰ্ষখন বিভিন্ন ভূ-প্ৰকৃতি, যেনে—পৰ্বত-পাহাৰ, নৈ, বনভূমি, মালভূমি, মৰুভূমি, উপকূল আদিৰে ভৰা। এই প্ৰাকৃতিক অৱয়বসমূহে সৃষ্টি কৰা মনোৰম পৰিৱেশে ভাৰতৰ সভ্যতা সংস্কৃতি তথা ভাৰতীয় মানুহৰ জীৱনধাৰণ প্ৰণালীত প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

**জানি লওঁ আহা—**

**ভূ-প্ৰাকৃতিকভাৱে ভাৰতক চাৰিটা ভাগত ভগাব পাৰি—**

১। **উত্তৰৰ হিমালয় পাৰ্বত্য অঞ্চল—** হিমালয় পৰ্বতমালাই ভাৰতৰ উত্তৰ আৰু পূব দিশক আগুৰি আছে। কাশ্মীৰৰ নংগ পৰ্বতৰপৰা অৰুণাচল প্ৰদেশৰ পূব প্ৰান্তলৈকে হিমালয় আৰু ইয়াৰ ঠাল-ঠেঙুলিৰে উত্তৰৰ **পাৰ্বত্য অঞ্চলটো** গঠিত।

২। **উত্তৰ ভাৰতৰ সমভূমি অঞ্চল—** এই অঞ্চল ভাৰতৰ পশ্চিম সীমাৰপৰা পূবে অসমলৈকে বিস্তৃত হৈ আছে। এই অঞ্চল প্ৰায় সমতল। সিন্ধু নৈ আৰু ইয়াৰ উপনৈসমূহৰ উপত্যকা অঞ্চল, ব্ৰহ্মপুত্ৰ, গংগা, যমুনা নৈৰ উপত্যকা অঞ্চল আৰু ৰাজস্থানৰ মৰুভূমি অঞ্চল মিলি এই **সমভূমি অঞ্চল** গঠিত।

৩। **দক্ষিণৰ মালভূমি অঞ্চল—** সমভূমি অঞ্চলৰ দক্ষিণফালে থকা বৃহৎ মালভূমি অঞ্চলটোৱেই হ'ল **দক্ষিণৰ মালভূমি** বা **দাক্ষিণাত্য মালভূমি অঞ্চল**।

৪। উপকূলীয় **অঞ্চল—** দক্ষিণ ভাৰতৰ সাগৰৰ পাৰে পাৰে থকা সমতল অঞ্চলেই হৈছে **ভাৰতৰ উপকূল অঞ্চল**।

ভাৰতৰ প্ৰধান নদ-নদী আৰু পৰ্বত-পাহাৰসমূহৰ নাম জানি লওঁ আহা-




অসমৰ প্ৰাকৃতিক বিভাগ (মাপনী অনুসৰি নহয়)

মানচিত্ৰখন চাই লিখা—

- দুটা পৰ্বতৰ নাম
- দুখন নৈৰ নাম

ভাৰতবৰ্ষ এখন বিশাল দেশ। ২৮ খন ৰাজ্য আৰু ৮ খন কেন্দ্ৰীয় শাসিত অঞ্চলেৰে আমাৰ দেশখন গঠিত। নতুন দিল্লী ভাৰতবৰ্ষৰ ৰাজধানী।

**জানি লওঁ আহা—**

| ৰাজ্যৰ নাম | ৰাজধানীৰ নাম | ৰাজ্যৰ নাম | ৰাজধানীৰ নাম |
|---|---|---|---|
| অসম | দিছপুৰ | ত্ৰিপুৰা | আগৰতলা |
| অৰুণাচল প্ৰদেশ | ইটানগৰ | কেৰালা | থিৰুবনন্তপুৰম |
| মেঘালয় | শ্বিলং | কৰ্ণাটক | বাংগালুৰু |
| মণিপুৰ | ইম্ফল | গোৱা | পানাজী |
| মিজোৰাম | আইজল | গুজৰাট | গান্ধীনগৰ |
| নাগালেণ্ড | ক'হিমা | মহাৰাষ্ট্ৰ | মুম্বাই |
| ছিকিম | গেংটক | মধ্যপ্ৰদেশ | ভূপাল |
| পশ্চিমবংগ | কলকাতা | উত্তৰ প্ৰদেশ | লক্ষ্ণৌ |
| বিহাৰ | পাটনা | উত্তৰাখণ্ড | ডেৰাডুন |
| ঝাড়খণ্ড | ৰাঁচী | পঞ্জাব | চণ্ডীগড় |
| উৰিষ্যা | ভূবনেশ্বৰ | হিমাচল প্ৰদেশ | চিমলা |
| ছত্তিশগড় | ৰায়পুৰ | হাৰিয়ানা | চণ্ডীগড় |
| অন্ধ্ৰপ্ৰদেশ | অমৰাৱতী | তেলেংগানা | হায়দৰাবাদ |
| ৰাজস্থান | জয়পুৰ | তামিলনাডু | চেন্নাই |

| কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ নাম | ৰাজধানীৰ নাম |
|---|---|
| আন্দামান নিকোবৰ দ্বীপপুঞ্জ | প'ৰ্টব্লেয়াৰ |
| দাদ্ৰা আৰু নগৰ হাভেলী আৰু দমন আৰু ডিউ | দমন |
| দিল্লী | নতুন দিল্লী |
| জম্মু আৰু কাশ্মীৰ | শ্ৰীনগৰ (গ্ৰীষ্ম), জম্মু (শীত) |
| লাক্ষাদ্বীপ | কভাৰ্টি |
| পুডুচেৰী | পণ্ডীচেৰী |
| চণ্ডীগড় | চণ্ডীগড় |
| লাডাখ | লেহ |

**আমাৰ দেশৰ যাতায়াত ব্যৱস্থা ঃ**


ভাৰতৰ বিভিন্ন ৰাজ্যৰ মাজত যাতায়াতৰ বাবে বহুতো ৰাষ্ট্ৰীয় ঘাইপথ, ৰে'লপথ আৰু আকাশী পথৰ ব্যৱস্থা আছে। এই পথবোৰেদি বিভিন্ন ধৰণৰ যান-বাহনৰ সহায়ত ভাৰতৰ বিভিন্ন ৰাজ্যৰ মাজত আৰু লগতে আন আন দেশলৈও যাতায়াতৰ সম্ভৱ হৈছে। এয়াই হৈছে আমাৰ **দেশৰ পৰিবহণ ব্যৱস্থা।**



**ৰে'ল পৰিবহণ —**

ৰে'ল পৰিবহণ হৈছে ভাৰতবৰ্ষৰ সবাতোকৈ গুৰুত্বপূৰ্ণ পৰিবহণ ব্যৱস্থা। ভাৰতবৰ্ষত **ব্ৰডগজ** আৰু **মিটাৰ গজ** এই দুই প্ৰকাৰৰ ৰে'লপথৰ ব্যৱস্থা আছে যদিও পাহাৰীয়া অঞ্চলত **ঠেক গজ** ৰে'লপথো আছে। উত্তৰ পূৰ্বাঞ্চলৰ মেঘালয় আৰু ছিকিমত এতিয়াও ৰে'লপথৰ ব্যৱস্থা হোৱা নাই। অসমত ১৮৮২-১৮৮৪ চনৰ ভিতৰত ডিব্ৰু-মাৰ্ঘেৰিটা ৰে'লপথ নিৰ্মাণ কৰা হৈছিল। এইটো আছিল অসমৰ প্ৰথম ৰে'লপথ। ক্ৰমান্বয়ে ৰে'লপথৰ সম্প্ৰসাৰণ কৰি বৰ্তমান অসমৰ ইমূৰৰপৰা সিমূৰলৈ প্ৰত্যেকখন জিলাৰ মাজেৰে ৰে'লপথৰ ব্যৱস্থা কৰা হৈছে। অসমৰপৰা ভাৰতৰ আন আন ৰাজ্যলৈ যাবলৈও ৰে'ল পৰিবহণৰ সু-ব্যৱস্থা আছে।

ৰে'লপথসমূহেৰে দৈনিক বয়-বস্তু এঠাইৰপৰা আনঠাইলৈ কঢ়িওৱা সহজ হৈ পৰিছে। মানুহে কম সময়ৰ ভিতৰতে আৰু কম খৰচতে বহু দূৰ-দূৰণিলৈ অহা-যোৱা কৰাত সুবিধা হৈছে। আৰম্ভণিতে ৰে'লবিলাক ভাপ-ইঞ্জিনেৰে চলোৱা হৈছিল। বৰ্তমান ডিজেল আৰু ইলেক্ট্ৰিক ইঞ্জিনৰ সহায়ত চলোৱাৰ ফলত অতি বেগেৰে ৰে'ল চলাচল সম্ভৱ হৈছে।



**পথ পৰিবহণ —**

ভাৰতবৰ্ষৰ পথ পৰিবহণ ব্যৱস্থাই সামৰি লোৱা পথবোৰ হ'ল—ৰাষ্ট্ৰীয় ঘাইপথ, সীমান্ত অঞ্চলৰ পথ, ৰাজ্যিক আৰু আন্তঃৰাজ্যিক পথ, গাঁও অঞ্চলৰ পথ আৰু পৌৰ নিগমৰ পথ। পথ পৰিবহণ ব্যৱস্থাই দৈনিক মানুহ আৰু মাল-বস্তু কঢ়িয়াই আমাৰ যোগাযোগ ব্যৱস্থা সুচল কৰি তুলিছে।

**উত্তৰ ভাৰতৰ মানালি-লেহ ৰাষ্ট্ৰীয় ঘাইপথ, পৃথিৱীৰ ভিতৰতে সৰ্বোচ্চ পথ পৰিবহণ ব্যৱস্থা।**

এতিয়ালৈ অসমত প্ৰায় ৪২,৬৪১ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হৈছে। প্ৰধান পথবোৰ হ'ল-- ৰাষ্ট্ৰীয় ঘাই পথ, গড়কাপ্তানি পথ, জিলা আৰু পঞ্চায়ত পথ। ৰাষ্ট্ৰীয় ঘাইপথসমূহে অসমক দেশৰ আন আন ৰাজ্যৰ লগতো সংযোগ কৰিছে।

➤ **তোমালোকৰ জিলাখনৰ মাজেৰে বা কাষেৰে পাৰ হৈ যোৱা ৰাষ্ট্ৰীয় ঘাইপথৰ নাম লিখা।**

**জল পৰিবহণ** — ভাৰতবৰ্ষৰ জলপথক দুটা ভাগত ভগাব পাৰি- আন্তঃ দেশীয় আৰু উপকূলীয় বা সাগৰীয় **জল পৰিবহণ**।

**ভাৰতবৰ্ষৰ তিনিটা ৰাষ্ট্ৰীয় জলপথ হ'ল**— (১) গংগা-ভাগীৰথী-হুগলী নদীৰ জল পৰিবহণ ব্যৱস্থা (২) ব্ৰহ্মপুত্ৰৰ শদিয়া-ধুবুৰী জল পৰিবহণ ব্যৱস্থা (৩) পশ্চিম উপকূলীয় খাল জল পৰিবহণ ব্যৱস্থা ভাৰতত ১২ টা প্ৰধান জাহাজ বন্দৰ আছে। ইয়াৰ ভিতৰত প্ৰধান চাৰিটা বন্দৰ হ'ল— মুম্বাই, চেন্নাই, বিশাখাপট্টনম্ আৰু কলকাতা।

বৰ্তমান ব্ৰহ্মপুত্ৰ নদীৰ তীৰত থকা জাহাজঘাটসমূহ হ'ল— ডিব্ৰুগড়, দিচাংমুখ, নিমাতীঘাট, বিশ্বনাথ চাৰিআলি, গুৱাহাটী, গোৱালপাৰা আৰু ধুবুৰী।

**আকাশী পথ পৰিবহণ** — ভাৰতবৰ্ষত বিমানসেৱা চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ অন্তৰ্গত। এয়াৰ ইণ্ডিয়া বিমানসেৱা চৰকাৰী খণ্ডৰ অন্তৰ্গত। ইণ্ডিগ', স্পাইচ জেট, আদি বেচৰকাৰী খণ্ডৰ অন্তৰ্গত। এই বিমান সেৱাই দেশৰ বিভিন্ন স্থানৰ মাজত সংযোগ স্থাপন কৰিছে। ১৯৮১ চনৰ জানুৱাৰী মাহৰ পৰা গুৱাহাটী আৰু দিল্লীৰ মাজত বিমান চলাচল আৰম্ভ হয়। কিছুমান বিমান সেৱাৰ জৰিয়তে বিদেশলৈও যাত্ৰা কৰিব পাৰি।



**কেৰালাৰ কচিনত ভাৰতৰ প্ৰথমটো ব্যক্তিগত খণ্ডৰ আন্তৰ্জাতিক বিমান বন্দৰ গঢ়ি উঠে।**

**ৰচ্ছী পৰিবহণ**—



*ৰচ্ছী পৰিবহণ ব্যৱস্থা*

ভাৰতত **ৰজ্জু পথ** বা **ৰচ্ছী পৰিবহণৰ** ব্যৱস্থাও আছে। ৰচ্ছী পৰিবহণ ব্যৱস্থা কম খৰচী। পাহাৰীয়া দুৰ্গম অঞ্চলত খনিৰপৰা চূণশিল, কয়লা আদি খনিজ পদাৰ্থ কঢ়িয়াবলৈ এই ব্যৱস্থাৰ সহায় লোৱা হয়। অসমৰ কাৰ্বি আংলঙৰ ডিলাই পাহাৰ আৰু বোকাজানৰ বিলাতী মাটি উদ্যোগৰ মাজত চূণশিল কঢ়িয়াবলৈ প্ৰায় ৩৫ কিঃমিঃ দূৰত্বৰ একমাত্ৰ ৰচ্ছী পৰিবহণ ব্যৱস্থা আছে। গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজত থকা ৰজ্জু পথ পৰ্যটকৰ বাবে যথেষ্ট আকৰ্ষণীয়।

**দলগত আলোচনা কৰি লিখা**–

> **আমাৰ দেশৰ বিভিন্ন পৰিবহণ ব্যৱস্থাসমূহ কি কি ? সেইবোৰৰ পৰা আমাৰ কি কি সুবিধা হৈছে?**

এই পৰিবহণ ব্যৱস্থাসমূহৰ যোগেদি পৃথিৱীৰ যিকোনো ঠাইলৈ সহজে আৰু সোনকালে অহা যোৱা কৰাৰ সুবিধা হৈছে। পৰিবহণ ব্যৱস্থাসমূহৰ ভিতৰত উৰা-জাহাজেৰে অতি কম সময়তে এখন দেশৰপৰা আন এখন দেশলৈ যাত্ৰা কৰিব পাৰি। এই যাত্ৰা আৰামদায়ক কিন্তু ব্যয়বহুল। ভাৰতবৰ্ষত সৰ্বসাধাৰণ লোকে যাতায়াতৰ বাবে পথ পৰিবহণ আৰু ৰে'ল পৰিবহণেই বেছিকৈ ব্যৱহাৰ কৰা দেখা যায়। উন্নত পৰিবহণ ব্যৱস্থাই দেশ এখনৰ অৰ্থনৈতিক উন্নতিত যথেষ্ট বৰঙণি যোগায়।

**বৈচিত্ৰ্যৰ মাজত ঐক্য ঃ**

আমাৰ ভাৰতবৰ্ষত ধৰ্ম, সংস্কৃতি, সাজ-পাৰ আদি নানা দিশত ভিন্নতা আছে। ইয়াত হিন্দু, ইছলাম, শিখ, খ্ৰীষ্টান, বৌদ্ধ, জৈন আদি বিভিন্ন ধৰ্মৰ লোকে বসবাস কৰে। অঞ্চলভেদে উৎপাদিত বস্তু ভিন ভিন হোৱা হেতুকে আমাৰ মাজত খাদ্যৰ অভ্যাসৰ ক্ষেত্ৰতো ভিন্নতা আছে। উদাহৰণস্বৰূপে পঞ্জাব, হাৰিয়ানা, উত্তৰ প্ৰদেশ আদিত প্ৰচুৰ পৰিমাণে গম উৎপাদন হয়। সেই কাৰণে তাৰ মানুহৰ মূল খাদ্য ৰুটি। আনহাতে উৰিষ্যা, অসম, পশ্চিমবংগ আদিত ধান প্ৰচুৰ পৰিমাণে উৎপাদন হোৱাৰ বাবে এইবোৰ অঞ্চলৰ মানুহৰ প্ৰধান খাদ্য হৈছে ভাত। আমাৰ দেশত বিভিন্ন ভাষা-ভাষী লোক আছে। ইয়াত ২৫০ টাতকৈও অধিক ভাষা-উপভাষা আছে। ইয়াৰে ২২টা ভাষা সংবিধানৰ দ্বাৰা স্বীকৃত। বিভিন্ন ভাষা-ভাষী, ধৰ্ম আৰু সামাজিক ৰীতি-নীতি পালন কৰা লোকসকলৰ মাজত কিছু সামাজিক ভিন্নতা থাকিলেও সকলোৱে মিলা-প্ৰীতি আৰু সহযোগিতাৰে বসবাস কৰি থাকে। ভিন্নতা থাকিলেও সকলো ভাষা, সংস্কৃতি আৰু ধৰ্মক আমি সমানে সন্মান আৰু শ্ৰদ্ধা কৰোঁ। সেই কাৰণে সকলোৱে বাবে ভাৰত এখন মিলনভূমি। এই মিলন হৈছে জাতি, ভাষা আৰু সংস্কৃতিৰ মিলন। সেয়ে ভাৰতৰ সংস্কৃতিৰ প্ৰধান বৈশিষ্ট্য হ'ল 'অনৈক্যৰ মাজত ঐক্য'।





➤ ওপৰৰ ছবিত দেখুওৱা বিভিন্ন সাজ-পাৰ পৰিধান কৰা ব্যক্তিসকল কোন কোন ৰাজ্যৰ কোৱা।

ভাৰতবৰ্ষৰ দৰে বিকাশশীল দেশত ৰাষ্ট্ৰীয় সংহতিৰ গুৰুত্ব অসীম। জাতি, বৰ্ণ, ভাষা, ধৰ্ম নিৰ্বিশেষে একাত্ম হৈ দেশ আৰু দেশৰ জনগণৰ প্ৰতি যি সন্মান আৰু সদ্ভাৱ দেখুওৱা হয়, সেয়েই হৈছে **ৰাষ্ট্ৰীয় সংহতি**। শান্তি-সম্প্ৰীতি আৰু একতা থাকিলেহে দেশৰ প্ৰগতি সম্ভৱ। এই ঐক্য, শান্তি-সম্প্ৰীতি তেতিয়াহে অটুট থাকিব, যেতিয়া আমাৰ সমাজত বাস কৰা বিভিন্ন ধৰ্ম, ভাষা, জাতি-উপজাতিৰ লোকৰ মাজত একতা, মিলা-প্ৰীতি আৰু সহযোগিতা থাকিব।

**সংহতি হৈছে— ৰাষ্ট্ৰখনৰ ঐক্য, শান্তি আৰু প্ৰগতিৰ মূল চাবি-কাঠি।**

**ছবিত দিয়া ব্যক্তিসকলে ৰাষ্ট্ৰীয় সংহতিৰ হকে কি কি কাম কৰি থৈ গৈছে চমুকৈ জানি লওঁ আহা—**


*মহাত্মা গান্ধী*


*মৌলানা আবুল কালাম আজাদ*


*সৰোজিনী নাইডু*


*গোপীনাথ বৰদলৈ*

- জাতিৰ পিতা মহাত্মা গান্ধীৰ অহিংসা নীতিয়ে স্বাধীনতা আন্দোলন সফল কৰিছিল।
- স্বাধীন ভাৰতৰ প্ৰথমগৰাকী শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদে জাতি-ধৰ্মৰ মাজত বিভেদ নাৰাখি সকলোকে একে ভাৰতীয় নাগৰিক হ'বলৈ আহ্বান জনাইছিল।
- ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম ভাৰতীয় মহিলা সভানেত্ৰী সৰোজিনী নাইডুৱে কবিতাৰ জৰিয়তে মানুহৰ মাজত দেশ-প্ৰেমৰ ভাৱ জগাই তুলিছিল।
- ভাৰত স্বাধীন হোৱাৰ পাছত অসমৰ প্ৰথম মুখ্যমন্ত্ৰী আছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈ। ভাৰতৰ অখণ্ডতা আৰু স্বাধীনতাৰ প্ৰতি দেখুওৱা তেওঁৰ মহান ত্যাগ আমাৰ সকলোৰে বাবে অনুকৰণীয়।

➤ এইসকলৰ উপৰি আমাৰ দেশত ৰাষ্ট্ৰীয় সংহতিলৈ অৰিহণা যোগোৱা আন বহুতো নেতা আৰু নেত্ৰী আছে। শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা জানি লৈ তেওঁলোকৰ নাম লিখা।

ৰাষ্ট্ৰীয় সংহতি অটুট ৰাখিবলৈ আমি নিজাববীয়াকৈ কিছুমান প্ৰচেষ্টা হাতত ল'ব লাগিব। সেইবোৰৰ কিছু কথা জানি লওঁ আহা—

- মাতৃ-ভাষাৰ উপৰি আমি আমাৰ চুবুৰীয়া জনজাতিসকলৰ ভাষা শিকিব লাগিব। যিমানেই ভাষা ক'ব পাৰিম সিমানেই আমাৰ মাজৰ ভিন্নতা দূৰ হ'ব। ভাষাৰ জৰিয়তে ভাবৰ বিনিময় কৰিব পাৰি।
- স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস, গান্ধী জয়ন্তী আদি উৎসৱত সকলো ভাৰতীয়ই ধৰ্ম, ভাষা, জাতি আদি ভেদা-ভেদ পাহৰি এক হৈ অংশগ্ৰহণ কৰিব লাগে।
- সাংস্কৃতিক বিনিময়ৰ জৰিয়তে বিভিন্ন জাতি-উপজাতিৰ গীত-মাত, নৃত্য, খেল-ধেমালি, বাদ্যযন্ত্ৰ, সাহিত্য, কলা-সংস্কৃতিৰ বিষয়ে জানিব পাৰি। এইবোৰে আমাৰ মাজত থকা পাৰ্থক্যবোৰ পাহৰাই সকলোকে একতা আৰু সহযোগিতাৰ ডোলেৰে বান্ধি ৰাখে।

জানি লওঁ আহা—

- আমাৰ দেশত চৰকাৰে সংবিধানৰ দ্বাৰা স্বীকৃত ভাষা হিচাপে ২২টা ভাষা গ্ৰহণ কৰিছে।
- ভাৰতবৰ্ষত বিভিন্ন ধৰ্মৰ লোক আছে। এই ধৰ্মসমূহৰ ভিতৰত হিন্দু, ইছলাম, খ্ৰীষ্টান, শিখ, জৈন আৰু বৌদ্ধ ধৰ্মই প্ৰধান।
- ভাৰত এখন ধৰ্ম-নিৰপেক্ষ ৰাষ্ট্ৰ।
- এখন সংবিধানৰ জৰিয়তে আমাৰ দেশৰ শাসন কাৰ্য চলে।
- আমাৰ ৰাষ্ট্ৰীয় পতাকা এখন আৰু ৰাষ্ট্ৰীয় সংগীতো একেটাই।
- ভাৰতবৰ্ষৰ ৰাজধানী নতুন দিল্লী।
- আমি দেশখনৰ বেলেগ বেলেগ ঠাইত বাস কৰোঁ, ভিন ভিন ভাষা কওঁ আৰু ভিন ভিন ধৰ্ম মানি চলোঁ। তথাপি আমি একেখন দেশৰেই নাগৰিক, অৰ্থাৎ আমি সকলো ভাৰতীয়।

শিক্ষক আৰু অভিভাৱকৰ সহায়ত লিখা —

➢ আমাৰ দেশৰ ৰাজধানীৰ নাম কি?
➢ আমাৰ দেশত বৰ্তমানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ নাম কি?
➢ আমাৰ দেশত চৰকাৰে সংবিধানৰ দ্বাৰা স্বীকৃত ভাষা হিচাপে গ্ৰহণ কৰা ভাষা কেইটা কি কি?
➢ আমাৰ ৰাষ্ট্ৰীয় দিৱসসমূহ কি কি?

দলগতভাৱে ৰাষ্ট্ৰীয় সংগীতটি গাওঁ আহা —

## অনুশীলনী

১। উত্তৰ লিখা —

(ক) ভাৰতবৰ্ষৰ চাৰিসীমাত থকা ৰাষ্ট্ৰকেইখনৰ নাম।

(খ) ভাৰতবৰ্ষৰ পৰিবহণ ব্যৱস্থাকেইটাৰ নাম।

(গ) ভাৰতৰ চাৰিখন প্ৰধান নৈৰ নাম।

(ঘ) ভাৰতৰ দুটা পৰ্বতৰ নাম।

(ঙ) ভাৰতবৰ্ষৰ কেন্দ্ৰীয় শাসিত অঞ্চলকেইটাৰ নাম।

(চ) আমাৰ দেশৰ বৰ্তমান প্ৰধানমন্ত্ৰীগৰাকীৰ নাম কি?

২। 'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখা।

| 'ক' | 'খ' |
|---|---|
| ছিকিম | ৰাঁচী |
| তামিলনাডু | মুম্বাই |
| হাৰিয়ানা | চেন্নাই |
| ঝাড়খণ্ড | গেংটক |
| মহাৰাষ্ট্ৰ | চণ্ডীগড় |

৪। খালী ঠাই পূৰ কৰা —

(ক) ভাৰতত ———— খন ৰাজ্য আছে।

(খ) গুৱাহাটী আৰু দিল্লীৰ মাজত ———— চনৰপৰা বিমান চলাচল আৰম্ভ হয়।

(গ) ভাৰতত মুঠ ———— টা প্ৰধান জাহাজ বন্দৰ আছে।

(ঙ) ————ভাৰতৰ ৰাজধানী।

৫। ভাৰত নামটোৰ উৎপত্তিৰ বিষয়ে লিখা।

৬। ৰাষ্ট্ৰীয় সংহতি বুলিলে কি বুজা?

৭। আমাৰ ৰাষ্ট্ৰীয় পতাকাখনৰ ছবি আঁকা।